# গৌহাটী উচ্চ ন্যায়ালয়

**(মহামান্য ন্যায়াধীশ আই.এ. আনছাৰিৰ আদালতত)**

হেম কান্ত তালুকদাৰ ... আবেদনকাৰী;

বনাম

সুনীল সূত্ৰধৰ আৰু অন্যান্য। ... প্ৰতিপক্ষ।

২০০৭ চনৰ লেখ আবেদন (দেৱানী) নং ১৮৫৩

ৰায় প্ৰদানৰ তাৰিখ: ২০০৮ চনৰ ১ ফেব্ৰুৱাৰী

**অসম বন বিনিয়ম, ১৮৯১, ধাৰা ৩(২), ৩(৩) আৰু ৩(৪)(ক)- বনজ সামগ্ৰী- ৰূপান্তৰিত কাঠ যেনে খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেম-বনজ সামগ্ৰী- ধৰা হৈছিল নেকি: হয়- প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ অবিহনে বনজ সামগ্ৰী কঢ়িয়াই নিয়া বাহন উদ্ধাৰ – ধাৰা ৩(৫)ৰ অধীনত সংঘটিত বন অপৰাধ – বাহনখনৰ মালিকে প্ৰমাণ কৰিব নোৱাৰিলে যে তেওঁ নিজৰ বাহনখন যাতে কোনো বন অপৰাধ সংঘটিত কৰাত ব্যৱহাৰ নহয় তাৰ বাবে তেঁও সকলো যুক্তিসংগত আৰু যথাযথ সাৱধানতা অৱলম্বন কৰিছিল – বাহন বাজেয়াপ্ত কৰা হ'ব পাৰে – বাজেয়াপ্ত কৰাৰ আদেশ বাহাল ৰখা হৈছে-**

এই গোচৰৰ অধিবক্তাসকল:

শ্ৰীযুত এম.জি. উজিৰ, শ্ৰীযুত আৰ বৰুৱা, শ্ৰীযুত এছ কলিতা আৰু শ্ৰীযুত এছ.এম. বৰুৱা- আবেদনকাৰীৰ বাবে ।

শ্ৰীযুত বি.কে. ঘোষ, শ্ৰীযুত বি.বি.গগৈ আৰু শ্ৰীযুত জি.এন. সাহেৱালা, এমিকাছ কিউৰি- প্ৰতিপক্ষৰ বাবে।

উল্লেখ কৰা গোচৰসমূহ: কালক্ৰমিকভাবে

মুলিবাশ হস্তশিল্প সমবায় সমিতি লিমিটেড বনাম অসম চৰকাৰ, ২০০৬ (১) জিএলটি ৪৭৭।

সুৰেশ লোহিয়া বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (১৯৯৬) ১০ এছচিচি ৩৯৭।

উৰিষ্যা চৰকাৰ বনাম তিতাঘুৰ পেপাৰ মিলছ কোম্পানী, ১৯৮৫ এচউপিপি এচ চি চি  ২৮০।

**<u>ৰায় আৰু আদেশ</u>**

১) ভাৰতীয় সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত এই আবেদন দাখিল কৰি আবেদনকাৰীয়ে বিদ্বান সত্ৰ ন্যায়াধীশ, দৰঙে ফৌজদাৰী আপীল নং ৩০(ডি-৪)/২০০৬ত প্ৰদান কৰা ২৮.৩.২০০৭ তাৰিখৰ আদেশক প্ৰত্যাহ্বান জনাইছে। সত্ৰ ন্যায়াধীশজনে অসম বন বিনিয়ম, ১৮৯১ ('এ এফ আৰ')ৰ ধাৰা ৪৯ গৰ অধীনত মণ্ডলদৈ সংমণ্ডলৰ অনুমোদিত বন বিষয়া-তথা-সংমণ্ডুল বন বিষয়াই গৃহীত কৰা ৪.১২.২০০৬ তাৰিখৰ বাজেয়াপ্তকৰণৰ আদেশ বাতিল কৰিছিল।

২) এই লেখ আবেদনখনত উত্থাপিত মূল বিষয়সমূহৰ বিষয়ে আলোচনা কৰাৰ আগতে এই আবেদন দাখিলৰ আৰৰ বস্তুগত তথ্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি:

(i) ২৯.১২.২০০৫ তাৰিখে ডুমুনিচৌকী বন পৰীক্ষণ চকিৰ একাংশ বন কৰ্মচাৰীয়ে এ এছ-১২বি-৯৭৩২ নম্বৰৰ পঞ্জীয়ন নম্বৰৰ এখন ট্ৰাক আটক কৰে, যিখন ট্ৰাক ভেণ্টিলেটৰ, খিৰিকী আৰু এখন ডাইনিং-টেবুলৰ কাঠৰ ফ্ৰেম, লৈ গুৱাহাটী অভিমুখে আহিছিল। উক্ত কাঠৰ ফ্ৰেমসমূহ বন কৰ্মচাৰীসকলে জব্দ কৰে এই ভিত্তিত যে সেইবোৰ আছিল এএফআৰৰ ৩(৪)ধাৰাৰ অৰ্থৰ পৰিসৰৰ ভিতৰত 'বনজ সামগ্ৰী'। বাহনখনৰ কথা ক'বলৈ গ'লে এ এফ আৰৰ ৪৯ নং ধাৰাত বাজেয়াপ্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। এনেদৰে আৰম্ভ কৰা বাজেয়াপ্তকৰণৰ প্ৰক্ৰিয়া অনুসৰি, প্ৰতিপক্ষৰ ১ নং সাক্ষী অৰ্থাৎ সুনীল সূত্ৰধৰ, যি হ'ল প্ৰশ্ন উত্থাপিত বাহনখনৰ মালিক, বিচাৰ প্ৰ্ক্ৰিয়াত উপস্থিত হয় আৰু তেঁওলৈ পঠোৱা

কাৰণ দৰ্শোৱা জাননী য'ত তেঁওক প্ৰশ্ন সোধা হৈছিল যে উক্ত বাহনখন কিয় চৰকাৰে বাজেয়াপ্ত কৰিব নালাগে, সেই প্ৰশ্নৰ উত্তৰ তেঁও দাখিল কৰে।

(ii) বাজেয়াপ্তকৰণৰ কাৰ্য্যবিধিত প্ৰতিপক্ষৰ ১ নং সাক্ষীয়ে উল্লেখ কৰা অনুসৰি ২৯.১২.২০০5 তাৰিখে গুৱাহাটীৰ হাতীগাঁৱৰ শ্ৰী এ শৰ্মাক কিছুমান কাঠেৰে নিৰ্মিত সামগ্ৰী বিক্ৰী কৰিছিল দৰঙৰ মেচাৰ্চ গুৰু ফাৰ্নিচাৰ হাউছে যাৰ মালিক হ'ল শ্ৰী পৰিতোষ বিশ্ব শৰ্মা। এই কাঠৰ সামগ্ৰীবোৰ আছিল খিৰিকীৰ পাঁচটা কাঠৰ ফ্ৰেম, ভেণ্টিলেটৰৰ নটা কাঠৰ ফ্ৰেম আৰু এখন ডাইনিং-টেবুল। এই কাঠৰ সামগ্ৰীসমূহ বনজ সামগ্ৰীৰ পৰা নিৰ্মিত সামগ্ৰী আছিল আৰু ৪.৫.২০০২ তাৰিখৰ চৰকাৰী অধিসূচনা অনুসৰি, সেইয়া সৰবৰাহ কৰাৰ বাবে কোনো পৰিবহন অনুজ্ঞাপত্ৰৰ প্ৰয়োজন নাছিল। প্ৰতিপক্ষৰ ২ নং সাক্ষী উক্ত ট্ৰাকখনৰ চালক আছিল তেঁও প্ৰতিপক্ষৰ ১ নং সাক্ষীৰ এজন কৰ্মচাৰী আছিল।

(iii) বাজেয়াপ্তকৰণৰ কাৰ্য্যবিধিত দুয়োপক্ষই সাক্ষদান কৰিছিল। অনুমোদিত বন বিষয়াই এই সিদ্ধান্তত উপনীত হয় যে কাঠেৰে নিৰ্মিত উক্ত সামগ্ৰীসমূহ 'বনজ সামগ্ৰী' আৰু যিহেতু প্ৰশ্ন উত্থাপিত বাহনখনক প্ৰয়োজনীয় নথি-পত্ৰ অৰ্থাৎ পৰিবহন অনুজ্ঞাপত্ৰ অবিহনে 'বনজ সামগ্ৰী' কঢ়িয়াই নিয়া অৱস্থাত পোৱা গৈছে, সেয়েহে বাহনখনক বন অপৰাধ সংঘটিত কৰাত ব্যৱহাৰ কৰাৰ বাবে বাজেয়াপ্ত কৰা হ'ব। প্ৰশ্ন উত্থাপিত বাহনখন বাজেয়াপ্ত কৰা হ'ব বুলি সিদ্ধান্তত উপনীত হৈ

অনুমোদিত বন বিষয়াই ৰাজ্য চৰকাৰৰ হৈ ৪.১২.২০০৬ তাৰিখৰ আদেশ অনুসৰি উক্ত বাহনখন বাজেয়াপ্ত কৰে। পূৰ্বতে উল্লেখ কৰা ৪.১২.২০০৬ তাৰিখৰ আদেশত অসন্তুষ্ট হৈ প্ৰতিপক্ষৰ ১ নং সাক্ষী্যে এ এফ আৰৰ ধাৰা ৪৯ গ, ২০০০ ৰ অধীনত সেই আদেশক প্ৰত্যাহ্বান জনাই আপীল কৰিছে। এই আবেদনৰ ফলত পূৰ্বতে উল্লেখ কৰা ফৌজদাৰী আপীল নং ৩৫(ডি–৪)/২০০৬ গৃহিত হয়। উক্ত আপীলত গৃহীত হোৱা ২৮.৩.২০০৭ তাৰিখৰ এটা আদেশৰ দ্বাৰা, যিহেতু বিদ্বান সত্ৰ ন্যায়াধীশ, দৰঙে ৪.১২.২০০৬ তাৰিখৰ বাজেয়াপ্ত কৰাৰ আদেশ বাতিল কৰি ইয়াত প্ৰতিপক্ষৰ ১ নং সাক্ষীক মালিক হিচাপে বাহনখন ঘুৰাই দিয়াৰ নিৰ্দেশ দিছে, অনুমোদিত বন বিষয়াই বৰ্তমানৰ লেখ আবেদনৰ সহায়ত উক্ত আপীল আদেশক বিৰোধিতা কৰি একেখিনি আদেশ বাতিল কৰিব বিচাৰিছে।

৩) লেখ আবেদনকাৰীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান অধিবক্তা শ্ৰীযুত জি উজিৰ আৰু প্ৰতিপক্ষৰ ১ নং সাক্ষীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত বি.কে. ঘোষৰ যুক্তি শুনিলো। শ্ৰীযুত বি.বি.গগৈ, বিদ্বান অতিৰিক্ত লোক অধিবক্তা, অসম, ২০১৯ ৰ যুক্তি আৰু এমিকাছ কিউৰি হিচাপে বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত জি.এন. ছাহেৱালাৰ যুক্তিও শুনিলো। বিদ্বান অধিবক্তা শ্ৰীযুত জি উজিৰে দাখিল কৰিছে যে এ এফ আৰৰ সমগ্ৰ বিধি আৰু ইয়াৰ অধীনত গঠিত নিয়মাৱলীসমূহে স্পষ্টভাৱে দেখুৱাইছে যে এ এফ আৰৰ বিধি আৰু ইয়াৰ

অধীনত গঠিত নিয়মৰ পৰিসৰৰ উৰ্ধত কোনো 'বনজ সামগ্ৰী' যে সৰবৰাহ কৰিব নোৱাৰি সেইয়া বন বিষয়াসকলে নিশ্চিত কৰাটো তেঁওলোকৰ কেৱল ক্ষমতাই নহয়, কৰ্তব্যও। উজিৰ ডাঙৰীয়াই আঙুলিয়াই দিয়ে যে এনেদৰে গঠিত নিয়মৰ ক্ষেত্ৰত, পৰিবহন অনুজ্ঞাপত্ৰ (Transit Permit) অবিহনে এটা 'বনজ সামগ্ৰী' সৰবৰাহ কৰা সম্ভৱ নহয়।'সেয়েহে সোধ- পোচ কৰিলে 'বনজ সামগ্ৰী' সৰবৰাহ কৰা ব্যক্তিয়ে এনে 'বনজ সামগ্ৰী' সৰবৰাহ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰা পৰিবহন অনুমতি (Transit Pass) দেখুৱাব পাৰিব লাগিব। উজিৰ ডাঙৰীয়াৰ দাখিল কৰিছে যে 'বনজ সামগ্ৰী'ৰ উৎপত্তি বিচাৰি উলিয়াবলৈ এজন বন বিষয়া কৰ্তব্যৰ বান্ধোনেৰে বান্ধ খাই আছে আৰু সেয়েহে কি নথি-পত্ৰৰ ভিত্তিত 'বনজ সামগ্ৰী' এখন ঠাইৰ পৰা আন এখন ঠাইলৈ কঢ়িয়াই নিয়া বা সৰবৰাহ কৰা হৈছে, সেইয়া জানিবলৈ প্ৰয়োজনীয় নথি-পত্ৰ দেখুৱাব লাগিব বুলি দাবী কৰাটো এজন বন বিষয়াৰ ক্ষমতাৰ ভিতৰত। এই গোচৰটোত কাঠৰ ফ্ৰেম আদিবোৰ উজিৰ ডাঙৰীয়াৰ মতে 'বনজ সামগ্ৰী' আছিল আৰু যিহেতু সেইবোৰ প্ৰয়োজনীয় পৰিবহন অনুজ্ঞাপত্ৰ অবিহনে কঢ়িয়াই নিয়া দেখা গৈছিল, গতিকে 'বন অপৰাধ' সংঘটিত হোৱা দেখা গৈছিল আৰু যিহেতু এনে 'বন অপৰাধ' প্ৰশ্ন উত্থাপিত বাহনখনৰ ব্যৱহাৰ কৰি সংঘটিত হোৱা বুলি ধৰা পৰিছিল, গতিকে বন বিষয়াজনৰ বাহনখন জব্দ কৰা যি কাৰ্য্য, সেইয়া তেঁওৰ ক্ষমতাৰ পৰিসৰৰ অন্তৰ্গত। বিদ্বান সত্ৰ ন্যায়াধীশে কয় যে উজিৰ ডাঙৰীয়াই বাহনখন বাজেয়াপ্ত কৰাৰ আদেশ বাতিল কৰি গোচৰৰ তথ্য, পৰিস্থিতি আৰু ইয়াৰ লগত জড়িত আইনৰ ক্ষেত্ৰত ভুল সিদ্ধান্ত হৈছিল। যিহেতু এ এফ আৰ বা ইয়াৰ অধীনত গঠিত নিয়মে

বন বিষয়াজনক আন কোনো প্ৰতিকাৰৰ ব্যৱস্থা প্ৰদান নকৰে, সেয়েহে তেওঁ ভাৰতীয় সংবিধানৰ ২২৬ আৰু ২২৭ নং অনুচ্ছেদৰ অধীনত আইন- কানুন ৰক্ষাৰ স্বাৰ্থত এই আদালতৰ হস্তক্ষেপ বিচাৰি এই আবেদন দাখিল কৰিবলৈ বাধ্য হৈছে।

৪) প্ৰতিপক্ষৰ ১ আৰু ২ নং সাক্ষীৰ হৈ যুক্তি প্ৰদৰ্শণ কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী বি.কে. ঘোষে কৈছে যে প্ৰশ্ন উত্থাপিত বাহনখনত কঢ়িয়াই নিয়া কাঠৰ ফ্ৰেম আৰু ডাইনিং টেবুলখনকো 'বনজ সামগ্ৰী' বুলি ক'ব নোৱাৰি। ঘোষ ডাঙৰীয়াৰ মতে উক্ত সামগ্ৰীসমূহ কোনোপধ্যেই বনজ সামগ্ৰী নহয় আৰু সেইবোৰ সম্পূৰ্ণভাবে নিৰ্মিত সামগ্ৰী যিবোৰক বাণিজ্যিক অৰ্থত নতুন সামগ্ৰী হিচাপে জনা যায়। ঘোষ ডাঙৰীয়াই কয় যে এনে বাণিজ্যিক সামগ্ৰীক এ এফ আৰৰ বিধিৰ ভিতৰত 'বনজ সামগ্ৰী' বুলি ক'ব নোৱাৰি আৰু সেয়েহে যেতিয়া বাহনখনক কাঠৰ সামগ্ৰী কঢ়িয়াই নিয়া অৱস্থাত পোৱা গৈছিল, তেতিয়া কোনো 'বন অপৰাধ' সংঘটিত হোৱা বুলি ক'ব নোৱাৰি। বি.কে. ঘোষে পুনৰ কৈছে যে প্ৰতিপক্ষৰ ১ নং সাক্ষীৰ কথা বিবেচনা কৰিলে দেখা যায় যে তেঁও যদিও বাহনখনৰ মালিক, প্ৰশ্ন উত্থাপিত কাঠৰ সামগ্ৰীসমূহ প্ৰতিপক্ষৰ ১ নং সাক্ষীৰ অজ্ঞাতে প্ৰতিপক্ষৰ ২ নং সাক্ষীয়ে কঢ়িয়াই নিছিল আৰু সেয়েহে এনে পৰিস্থিতিত বাহনখনে 'বনজ সামগ্ৰী' কঢ়িয়াই নিয়া বুলি ধৰা পৰিলেও বাহনখনে মালিকৰ অজ্ঞাতে বনজ সামগ্ৰী কঢ়িয়াই নিছিল হেতুকে বাহনখন বাজেয়াপ্ত কৰাৰ কৰ্তৃত্ব নাছিল। এই দাখিলৰ সমৰ্থনত ঘোষ ডাঙৰীয়াই এ এফ আৰৰ ৪৯(৬) ধাৰাৰ বিধানৰ ওপৰত নিৰ্ভৰ কৰে। ঘোষ ডাঙৰীয়াই তেওঁৰ

দাখিলৰ সমৰ্থনত সুৰেশ লোহিয়া বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (১৯৯৬) ১০ এছচিচি ৩৯৭; উৰিষ্যা চৰকাৰ বনাম তিতাঘুৰ পেপাৰ মিলছ কোম্পানী লিমিটেড, ১৯৮৫ এচউপিপি এচচিচি ২৮০; আৰু মুলিবাশ হস্তশিল্প সমবায় সমিতি লিমিটেড বনাম অসম চৰকাৰ, ২০০৬ (১) জিএলটি ৪৭৭ গোচৰসমূহৰ উল্লেখ কৰিছে। ঘোষ ডাঙৰীয়াই দাবী কৰিছে যে বৰ্তমানৰ গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ সন্দৰ্ভত বাজেয়াপ্ত কৰাৰ আদেশটো আছিল সম্পূৰ্ণ অবৈধ আৰু বিদ্বান সত্ৰ ন্যায়াধীশে সেই আদেশ বাতিল কৰি আইনগতভাবে কোনো ভুল কৰা নাছিল।

৫) এমিকাছ কিউৰি হিচাপে উপস্থিত হৈ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত ছাহেৰাল্লাই দাখিল কৰে যে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত প্ৰদান কৰা সিদ্ধান্তৰ পটভূমিত ডাইনিং টেবুল আৰু কাঠৰ ফ্ৰেমবোৰ 'সম্পুৰ্ণভাবে নিৰ্মিত সামগ্ৰী' আছিল আৰু এনে পৰিস্থিতিত বাহনখন বাজেয়াপ্ত কৰাটো উচিত নাছিল। আনহাতে বিদ্বান অতিৰিক্ত লোক অধিবক্তাৰ মতে বাজেয়াপ্ত কৰাৰ আদেশটো বৈধ আদেশ যিহেতু কাঠৰ ফ্ৰেমবোৰ 'বনজ সামগ্ৰী' আছিল।

৬) বাহনখনত কঢ়িয়াই নিয়া বুলি অভিযোগ উত্থাপন হোৱা সামগ্ৰীসমূহ 'বনজ সামগ্ৰী' হয় নে নহয় সেই প্ৰশ্নটো নিৰ্ণয় কৰিবলৈ চেষ্টা কৰাৰ আগতে এইটো স্পষ্টকৈ বুজাটো প্ৰয়োজনীয় যে কি পৰিস্থিতিত 'বনজ সামগ্ৰী' কঢ়িয়াই নিলেও কোনো এখন বাহনক বাজেয়াপ্ত কৰিব নোৱাৰি।

৭) মই আঙুলিয়াই দিব পাৰো যে এ এফ আৰৰ ২(৫)ধাৰা অনুসৰি 'বন অপৰাধ'ৰ অৰ্থ হ'ল এ এফ আৰ বা ইয়াৰ অধীনত গঠিত যিকোনো নিয়মৰ অধীনত শাস্তিযোগ্য অপৰাধ।

৮) এ এফ আৰৰ ষষ্ঠ অধ্যায়ৰ অন্তৰ্গত ৪০ নম্বৰ ধাৰাৰ অধিনত ৰাজ্য চৰকাৰৰ নিয়ম প্ৰণয়নৰ ক্ষমতা আছে। এই অধ্যায়তো হ'ল - 'Control of Forest Produce in Transit' (বনজ সামগ্ৰীৰ পৰিবহন নিয়ন্ত্ৰণ)। ৪০ নম্বৰ ধাৰাৰ প্ৰাসংগিক বিধানসমূহ তলত দিয়া ধৰণে:

"৪০. বনজ সামগ্ৰীৰ পৰিবহন নিয়ন্ত্ৰণৰ বাবে নিয়ম প্ৰণয়নৰ ক্ষমতা।– (১) ভাস্যমান কাঠৰ ক্ষেত্ৰত সকলো নদী আৰু ইয়াৰ পাৰৰ নিয়ন্ত্ৰণৰ লগতে স্থল বা পানীৰ দ্বাৰা সৰবৰাহ কৰা সকলো বনজ সামগ্ৰীৰ নিয়ন্ত্ৰণ ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত আৰু সেই চৰকাৰে যিকোনো বনজ সামগ্ৰীৰ পৰিবহন নিয়ন্ত্ৰণৰ বাবে নিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) এনে নিয়মে অন্যান্য বিষয়ৰ লগতে–

(ক) এই নিয়ম যিবোৰ ভূখণ্ডলৈ বিস্তৃত হৈ আছে, সেইবোৰলৈ বনজ সামগ্ৰী আমদানি, ৰপ্তানি বা স্থানান্তৰ কৰিব পৰা পথ নিৰ্ধাৰণ কৰা;

(খ) অনুমোদিত বিষয়াৰ পৰা পাছ অবিহনে বা যদি সেই পাছত উল্লেখ কৰা চৰ্তসমূহ মানি চলা নহয় তেন্তে বনজ সামগ্ৰীৰ আমদানি, ৰপ্তানি, সংগ্ৰহ বা স্থানান্তৰ নিষিদ্ধ কৰা।"

(গ) এনে পাছ প্ৰদান, উৎপাদন আৰু ঘূৰাই দিয়াৰ ব্যৱস্থা:

চ) যি সন্দৰ্ভত কোনো ধন চৰকাৰক প্ৰদান কৰিবলগীয়া বুলি বিশ্বাস কৰাৰ থল আছে বা এই বিনিয়মৰ উদ্দেশ্যে চিহ্ন লগোৱাটো প্ৰয়োজনীয় বুলি ধৰা হয়, তেনে ক্ষেত্ৰত ট্ৰেনজিটত থকা বনজ উৎপাদিত সামগ্ৰীৰ

পৰিবহন বন্ধ কৰা, সেই বিষয়ে প্ৰতিবেদন দাখিল কৰা, পৰীক্ষা কৰা আৰু চিহ্নিত কৰাৰ ব্যৱস্থা কৰা ।"

(ঝ) যিকোনো ভূমিৰে কাঠ সৰবৰাহৰ অনুমোদন দিয়া আৰু এনে কাঠ সৰবৰাহৰ ফলত হোৱা যিকোনো ক্ষতিৰ বাবে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰা:

(৩) ৰাজ্য চৰকাৰে নিৰ্দেশ দিব পাৰে যে এই ধাৰাত নিৰ্ধাৰিত যিকোনো নিয়ম কোনো নিৰ্দিষ্ট শ্ৰেণীৰ কাঠ বা অন্যান্য বনজ সামগ্ৰীৰ ক্ষেত্ৰত বা কোনো নিৰ্দিষ্ট স্থানীয় অঞ্চলৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।"

৯) ৪০ নং ধাৰাত উল্লেখ আছে যে ৰাজ্য চৰকাৰৰ যিবোৰ নিয়ম সৃষ্টিৰ কৰ্তৃত্ব আছে সেই নিয়মসমূহৰ ভিতৰত যিকোনো বনজ সামগ্ৰীৰ সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে নিয়ম কৰাটো অন্তৰ্ভুক্ত। এই নিয়মত বনজ সামগ্ৰী স্থানান্তৰ কৰিব পৰা চৰ্তসমূহ নিৰ্দিষ্ট কৰা হ'ব। কোনো অনুমোদিত বিষয়াৰ পৰা পাছ নোলোৱালৈকে ৰাজ্য চৰকাৰে বনজ সামগ্ৰী সৰবৰাহ নিষিদ্ধ কৰিব পাৰে। এই পাছটো প্ৰয়োজনসাপেক্ষে দেখুৱাব লাগিব আৰু এই পাছবোৰ ঘূৰাই দিয়াৰ ক্ষেত্ৰতো নিয়ন্ত্ৰণমুলক বিধি থাকিব। যিকোনো ভূমিৰ মাজেৰে কাঠ সৰবৰাহৰ অনুমতি দিয়াৰ ক্ষমতা ৰাজ্য চৰকাৰৰ আছে।এই বিধিৰ অধিনত ৰাজ্য চৰকাৰে পৰিবহণৰ সময়ত বনজ সামগ্ৰীৰ সৰবৰাহ বন্ধ কৰা, প্ৰতিবেদন দিয়া, পৰিদৰ্শন কৰা আৰু চিহ্নিত কৰাৰ অনুমতি দিবলৈ নিয়ম স্থাপন কৰিব পাৰে। ৪১ নং ধাৰাত ৰাজ্য চৰকাৰক যিকোনো নিয়ম ভংগ কৰিলে তিনি বছৰলৈকে কাৰাদণ্ড বা পাঁচ হাজাৰ টকা জৰিমনা বিহা অথবা দুয়োটা শাস্তিয়েই দিয়াৰ ক্ষমতা প্ৰদান কৰা হৈছে।

১০) উজিৰ ডাঙৰীয়াই সঠিকভাৱে আঙুলিয়াই দিয়াৰ দৰে এ এফ আৰৰ ৪০ আৰু ৪১ নং ধাৰাৰ অধিনত ৰাজ্য চৰকাৰে নিজৰ ক্ষমতা প্ৰয়োগ কৰি পৰিবহন নিয়মৰ এটা গোট প্ৰস্তুত কৰিছে। আচলতে, বাজেয়াপ্তকৰণৰ প্ৰক্ৰিয়াত বা ধাৰা ৪৯ৰ গৰ অধিনত আৰু এই লেখ আবেদনৰ ক্ষেত্ৰত এইটো বিতৰ্কিত নহয় যে প্ৰয়োজনীয় পৰিবহন অনুজ্ঞাপত্ৰ, যিবোৰ এ এফ আৰৰ ৪০ আৰু ৪১ ধাৰাৰ অধীনত গঠিত পৰিবহন নিয়মৰ ভিত্তিত জাৰি কৰা হয়, অবিহনে 'বনজ সামগ্ৰী'ৰ পৰিবহন সম্ভৱ নহয়। পৰিবহন পাছ অবিহনে 'বনজ সামগ্ৰী'ৰ পৰিবহন এ এফ আৰৰ ৩(৫) ধাৰাৰ অৰ্থৰ পৰিসৰৰ ভিতৰত 'বন অপৰাধ' বুলি বিষয়টোও বিতৰ্কিত নহয়।

১১) ওপৰত উল্লেখ কৰা কথাখিনি মনত ৰাখি মই এতিয়া ৪৯ নং ধাৰাটোৰ বিষয়ে আলোচনা কৰিম। ৪৯ নং ধাৰাত বাজেয়াপ্ত কৰাকে ধৰি বন অপৰাধৰ ক্ষেত্ৰত শাস্তি আৰু পদ্ধতি নিৰ্ধাৰণ কৰা প্ৰাসংগিক বিধানসমূহ তলত দিয়া ধৰণে:

"৪৯.সম্পত্তি জব্দ যিবোৰ বাজেয়াপ্ত কৰা হ'ব পাৰে– (১) যেতিয়া যিকোনো বনজ  সামগ্ৰীৰ ক্ষেত্ৰত বন অপৰাধ সংঘটিত হৈছে বুলি বিশ্বাস কৰাৰ কাৰণ থাকে, তেতিয়া এনে উৎপাদিত সামগ্ৰীৰ লগতে সকলো সঁজুলি, নাও, মটৰচালিত নাও, জাহাজ, গৰু, গাড়ী, ৰাফ্ট, যন্ত্ৰপাতি, বাহন, ট্ৰাক, ৰছী , শিকলি বা এনে অপৰাধ সংঘটিত কৰাত ব্যৱহৃত আন কোনো সঁজুলি, বস্তু বা সামগ্ৰী বনপালকৰ পদবীৰ তলত নথকা যিকোনো বন বিষয়া বা আৰক্ষী উপ-পৰিদৰ্শকৰ পদবীৰ তলত নথকা কোনো আৰক্ষী বিষয়াই জব্দ কৰিব পাৰে।

(৪) যদি জব্দ কৰা সম্পত্তি অনুমোদিত বিষয়াৰ আগত ৰখা হয় বা তেওঁ জব্দ কৰাৰ বিষয়ে প্ৰতিবেদন লাভ কৰে আৰু এইটো উপ-ধাৰা (৫) আৰু (৬)ত উল্লেখ কৰা নিয়ম অনুসৰি হয়, তেন্তে ব্যক্তিগত পৰিদৰ্শন বা পৰীক্ষণৰ পিছত অনুমোদিত বিষয়াই যদি নিশ্চিত হয় যে সেই জব্দ কৰা সম্পত্তিৰ সন্দৰ্ভত বন আইন উলংঘা হৈছে, তেন্তে অনুমোদিত বিষয়াই লিপিবদ্ধ কাৰণৰ সৈতে লিখিত আদেশৰ জৰিয়তে বনজ সামগ্ৰীৰ লগতে সকলো সঁজুলি, বাহন, গৰু, ট্ৰাক, মটৰচালিত নাও, নাও, গাড়ী, যন্ত্ৰপাতি, ৰাফ্ট, জাহাজ, ৰছীৰ শিকলি বা এনে অপৰাধ সংঘটিত কৰাত ব্যৱহৃত অন্য যিকোনো সঁজুলি বা সামগ্ৰী জব্দ কৰিব পাৰে।" জব্দ কৰাৰ আদেশৰ প্ৰতিলিপি কোনো অযথা পলম নকৰাকৈ বনজ সামগ্ৰী জব্দ কৰা চক্ৰৰ বনাঞ্চলৰ চক্ৰ সংৰক্ষকক আৰু যিটো অপৰাধৰ ভিত্তিত জব্দ কৰা হৈছে তাৰ বিচাৰ কৰাৰ অধিকাৰ থকা দণ্ডাধীশলৈ প্ৰেৰণ কৰা হ'ব।

(৫) কোনো সম্পত্তি জব্দ কৰাৰ কোনো আদেশ পূৰ্বৰ বিধানসমূহৰ অধীনত দিয়া নহ'ব যদিহে অনুমোদিত বিষয়াই–

(ক) যি অপৰাধৰ ভিত্তিত সম্পত্তি বাজেয়াপ্ত কৰা হৈছে, সেই অপৰাধৰ বিচাৰ কৰাৰ অধিকাৰ থকা দণ্ডাধীশলৈ সম্পত্তি বাজেয়াপ্ত কৰাৰ কাৰ্য্যবিধি আৰম্ভ হোৱাৰ বিষয়ে নিৰ্ধাৰিত প্ৰপত্ৰত তথ্য প্ৰেৰণ নকৰে;

(খ) যিজন ব্যক্তিৰ পৰা সম্পত্তি জব্দ কৰা হৈছিল তেওঁলৈ লিখিত জাননী প্ৰেৰণ নকৰে বা তেঁওৰ বিবেচনা অনুসৰি সেই সম্পত্তিৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শণ কৰা কোনো ব্যক্তিলৈ লিখিত জাননী প্ৰেৰণ নকৰে আৰু

বিশেষভাৱে, মটৰচালিত নাও, জাহাজ, যান-বাহন, ট্ৰাক আদিৰ ক্ষেত্ৰত, যিবোৰৰ পঞ্জীয়ন নম্বৰ আছে, সেইবোৰৰ মালিকলৈ জাননী প্ৰেৰণ নকৰে।

(গ) প্ৰস্তাৱিত বাজেয়াপ্তকৰণৰ বিৰুদ্ধে জাননীত উল্লেখ কৰা ধৰণে যুক্তিসংগত সময়ৰ ভিতৰত দফা (খ) ত উল্লেখ কৰা ব্যক্তিসকলক তেওঁলোকৰ মতামত প্ৰকাশ কৰাৰ উচিত সুযোগ নিদিয়ে।

(ঘ) জব্দ কৰা বিষয়া আৰু ওপৰৰ দফা (খ) বা (গ) ত উল্লেখ কৰা ব্যক্তি বা ব্যক্তিসকলক তেঁওলোকৰ যুক্তি প্ৰদৰ্শণ কৰাৰ বাবে নিৰ্ধাৰিত শুনানিৰ তাৰিখত বা তাৰিখসমূহত যুক্তিসংগতভাবে সুযোগ নিদিয়ে।

(৬) পূৰ্বৰ নিয়মত যিখিনি উল্লেখ কৰা হৈছে তাৰ পিছতো উপধাৰা (৪) ৰ অধিনত কিছুমান সামগ্ৰী যেনে নাও, মটৰচালিত নাও, জাহাজ, গৰু, গাড়ী, ৰাফ্ট, যন্ত্ৰপাতি, বাহন, ট্ৰাক, ৰছী, শিকলি বা অন্য কোনো সঁজুলি, সামগ্ৰী (কাঠ বা বনজ সামগ্ৰীৰ বাহিৰে) আদি জব্দ কৰাৰ কোনো নিৰ্দেশ নাথাকিব, যদি উপধাৰা (৫) ৰ দফা (খ) ত উল্লেখ কৰা ব্যক্তিয়ে অনুমোদিত বিষয়াক সন্তুষ্ট হোৱকৈ প্ৰমাণ কৰিব পাৰে যে উল্লেখ কৰা বস্তুবোৰ তেওঁলোকৰ অজ্ঞাতে, তেঁওলোকৰ সহযোগ নোহোৱাকৈ, গোপন বুজাবুজি বা প্ৰৰোচনা অবিহনে ব্যৱহাৰ কৰা হৈছিল বা তেওঁলোকৰ ভৃত্ত বা এজেণ্টৰ অজ্ঞাতে, সহযোগিতা বা প্ৰৰোচনা অবিহনে ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ উপৰিও এইটো প্ৰমাণ কৰিব লাগিব যে বন অপৰাধ ৰোধ কৰাৰ বাবে সেই সামগ্ৰীসমূহ যাতে ব্যৱহাৰ নহয়, সেই ক্ষেত্ৰত সকলো যুক্তিসংগত আৰু প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰা হৈছিল।

১২) ধাৰা ৪৯(১) সযতনে পঢ়িলে দেখা যায় যে যেতিয়া কোনো ‘বনজ সামগ্ৰী’ৰ ক্ষেত্ৰত ‘বন অপৰাধ’ সংঘটিত হৈছে বুলি বিশ্বাস কৰাৰ কাৰণ থাকে, তেতিয়া, বনপালকৰ পদবীৰ তলত নথকা বন বিষয়াক কেৱল ‘বনজ সামগ্ৰী’য়েই নহয়, বৰঞ্চ ‘বন অপৰাধ’ সংঘটিত কৰাত ব্যৱহাৰ কৰা হ’ব পৰা সকলো সঁজুলি, বাহন আদিও জব্দ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। ৪৯(৬)ধাৰা অনুসৰি যদিহে বাজেয়াপ্ত কৰাৰ প্ৰক্ৰিয়াত বিচাৰৰ সন্মুখীন হোৱা ব্যক্তিজনে বন বিষয়া সন্তুষ্ট হোৱাকৈ প্ৰমাণ কৰে যে এনে সঁজুলি, বাহন আদি তেওঁৰ অজ্ঞাতে, তেঁওৰ সহযোগিতা বা উচতনি অবিহনে বা তেওঁলোকৰ ভৃত্ত বা এজেণ্টৰ অজ্ঞাতে, সহযোগিতা বা প্ৰৰোচনা অবিহনে ব্যৱহাৰ কৰা হৈছিল আৰু বন অপৰাধ ৰোধ কৰাৰ বাবে সেই সামগ্ৰীসমূহ যাতে ব্যৱহাৰ নহয়, সেই ক্ষেত্ৰত সকলো যুক্তিসংগত আৰু প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰা হৈছিল, তেন্তে এনে সামগ্ৰী, বাহন আদি বাজেয়াপ্ত কৰাৰ ক্ষেত্ৰত কোনো আদেশ দিব নোৱাৰি।

১৩) ধাৰা ৪৯ (৬) সযতনে পঢ়িলে দেখা যায় যে বাহন এখন বাজেয়াপ্ত হোৱা পৰিস্থিতিৰ পৰা আঁতৰি থাকিবলৈ, বাহনখনৰ মালিকজনে অকল এইটো দেখুৱালে যথেষ্ট নহব যে তেওঁৰ অজ্ঞাতে বা তেওঁৰ সহযোগিতা বা উচতনি অবিহনে বাহনখন বন অপৰাধ সংঘটিত কৰিবলৈ ব্যবহাৰ কৰা হৈছে, তেওঁ এইটোও দেখুৱাব পাৰিব লাগিব যে বন অপৰাধ ৰোধ কৰাৰ বাবে সেই বাহনখন যাতে ব্যৱহাৰ নহয়, সেই ক্ষেত্ৰত সকলো যুক্তিসংগত আৰু প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰা হৈছিল। এই গোচৰটোত বাজেয়াপ্ত কৰাৰ প্ৰক্ৰিয়াত যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে প্ৰশ্ন উত্থাপিত

কৰা বাহনখনে বনজ সামগ্ৰী কঢ়িয়াই নিয়া নাছিল কাৰণ কাঠৰ খিৰিকী বা ভেণ্টিলেটৰৰ ফ্ৰেম বা ডাইনিং-টেবুলখনো 'বনজ সামগ্ৰী' নাছিল। গতিকে পূৰ্বতে উল্লেখ কৰা বস্তুবোৰ যদি 'বনজ সামগ্ৰী' নাছিল, তেন্তে কোনো 'বন অপৰাধ' হোৱা বুলি ক'ব নোৱাৰি আৰু প্ৰশ্ন উত্থাপিত বাহনখন সেই ক্ষেত্ৰত বাজেয়াপ্ত কৰিব পৰা নহব। যদি অৱশ্যে উক্ত কাঠৰ ফ্ৰেমবোৰ 'বনজ সামগ্ৰী' বুলি গণ্য হয় আৰু যিহেতু এইটো স্বীকাৰ্য্য যে সেই সামগ্ৰীখিনি পূৰ্বতে উল্লেখ কৰা বাহনখনত প্ৰয়োজনীয় পৰিবহণ অনুজ্ঞাপত্ৰ নোহোৱাকৈ কঢ়িয়াই নিয়া হৈছিল, তেন্তে সেই ক্ষেত্ৰত এক 'বন অপৰাধ' সংঘটিত কৰা বুলি গণ্য কৰা হ'ব। পিছৰ গোচৰৰ ক্ষেত্ৰত বাহনখনৰ মালিক অৰ্থাৎ প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষীৰ বাবে এইটো দেখুৱালেই যথেষ্ট নহ'ব যে তেওঁৰ অজ্ঞাতে বা তেওঁৰ সহযোগিতা বা উচতনি অবিহনে বাহনখন বন অপৰাধ সংঘটিত কৰিবলৈ ব্যবহাৰ কৰা হৈছে, তেওঁ এইটোও দেখুৱাব পাৰিব লাগিব যে তেনেকুৱা বন অপৰাধ ৰোধ কৰাৰ বাবে সেই বাহনখন যাতে ব্যৱহাৰ নহয়, সেই ক্ষেত্ৰত সকলো যুক্তিসংগত আৰু প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰা হৈছিল।

১৪) এইখন লেখ আবেদনখনৰ জৰিয়তে যদিও প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষীয়ে কৈছে যে প্ৰশ্ন উত্থাপিত সামগ্ৰীসমূহ তেওঁৰ অজ্ঞাতে বা তেওঁৰ সহযোগিতা বা প্ৰৰোচনা অবিহনে তেওঁৰ বাহনত কঢ়িয়াই নিয়া হৈছিল, আটাইতকৈ লক্ষণীয় বিষয়টো হ'ল যে এই সন্দৰ্ভত কোনো ধৰণৰ দাবী বা প্ৰত্যক্ষ বা পৰোক্ষ কোনো সাক্ষ্যপ্ৰমাণ নাই যিয়ে দেখুৱাই যে প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষীয়ে সকলো যুক্তিসংগত আৰু যথাযথ সাৱধানতা অৱলম্বন কৰিছিল যাতে তেওঁৰ বাহনখন 'বনজ সামগ্ৰী' কঢ়িয়াই নিয়াৰ

বাবে ব্যৱহাৰ কৰা নহয়। উক্ত বাজেয়াপ্তকৰণৰ কাৰ্য্যবিধিত জাৰি কৰা উক্ত জাননীখনৰ উত্তৰতেই হওক বা বাহনখনৰ মালিক হিচাপে তেওঁৰ সাক্ষ্যতেই হওক, কতোৱেই প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষীয়ে কোৱা নাছিল যে তেওঁ প্ৰতিপক্ষৰ ২ নম্বৰ সাক্ষীক, যিজনে বাহনখন চলাইছিল, স্পষ্ট নিৰ্দেশনা দিছিল যে তেওঁৰ উক্ত বাহনখন যাতে প্ৰয়োজনীয় পৰিবহণ অনুজ্ঞাপত্ৰ অবিহনে কোনো 'বনজ সামগ্ৰী' কঢ়িয়াই নিয়াৰ বাবে ব্যৱহাৰ কৰা নহয়।

১৫) ওপৰত উল্লেখ কৰা কথাখিনিৰ পটভূমিত, এতিয়া মই নিৰ্ধাৰণ কৰিম যে প্ৰশ্ন উত্থাপন হোৱা 'কাঠৰ ফ্ৰেম'বোৰক 'বনজ সামগ্ৰী' বুলি গণ্য কৰিব পাৰি নেকি।

১৬) খিৰিকী আৰু ভেণ্টিলেটৰৰ 'কাঠৰ ফ্ৰেম'ক 'বনজ সামগ্ৰী' বুলি গণ্য কৰিব পাৰি নে নোৱাৰি, সেই প্ৰশ্নৰ উত্তৰ বিচাৰি মই 'কাঠ'ৰ সংজ্ঞা কি সেইয়া বিচাৰো আৰু যেতিয়া মই ৩(৩) সংজ্ঞাটো, য'ত 'কাঠ'ৰ সংজ্ঞা লিখা আছে, পঢ়ি চাও, তেতিয়া সেই সংজ্ঞা নিম্নোক্ত ধৰণে পাওঁ- ' কাঠ শব্দটোৱে গছ বুজায় আৰু এই শব্দটোৱে হাউলি পৰা গছ বা কাটি পেলোৱা গছৰ লগতে সকলো কাঠক বুজায় যাক কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু যিবোৰ গছ প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ কটা (veneer) হৈছে।

১৭) ৩(৪) ধাৰাত 'বনজ সামগ্ৰী'ৰ সংজ্ঞা তলত দিয়া ধৰণে দিয়া হৈছে: "৩(৪) "বনজ সামগ্ৰী"ৰ ভিতৰত আছে–

(ক) "কাঠ, কয়লা, কাউচক (ৰবৰ), কেটেচু, কাঠৰ তেল, ৰেজিন, প্ৰাকৃতিক বাৰ্নিচ, বাকলি, লেক (কিছুমান পোক-পৰুৱাৰ ৰজনী নিঃসৰণ), মাইৰাব'লাম (কিছুমান গছৰ শুকান ফল), গঁড়ৰ শিং- এই বস্তুবোৰ, অৰণ্যৰ ভিতৰত পোৱা হওক বা কোনো এখন অৰণ্যৰ পৰা অনা হওক, বনজ সামগ্ৰী বুলি গণ্য কৰা হয়।

আৰু

(খ) অৰণ্যত পোৱা বা অৰণ্যৰ পৰা অনা তলত উল্লেখ কৰা বস্তুবোৰ যেনে -

(i) গছ আৰু পাত: আৰু ফল-মূল আৰু ইয়াৰ আগতে গছ বুলি উল্লেখ নকৰা আন সকলো অংশ বা সামগ্ৰী।

(ii) উদ্ভিদ (গছ নহয়) (ঘাঁহৰ লতা, নল আৰু শৈবালকে ধৰি) আৰু সকলো এনে উদ্ভিদৰ অংশ বা উৎপাদন।

(iii) বন্যপ্ৰাণী আৰু ছাল, দাঁত, আৰু গঁড়ৰ শিঙৰ বাহিৰে আন শিং, হাড়, ৰেচম, পলুৰ বাঁহ, মৌ আৰু মম আৰু জীৱ-জন্তুৰ অন্যান্য সকলো অংশ বা উৎপাদন ।

(iv) পিট (মাটিৰ দৰে মটীয়া বৰণৰ পদাৰ্থ), পৃষ্ঠ-মাটি, শিল আৰু খনিজ পদাৰ্থ (চূণশিল, লেট ৰাইটকে ধৰি খনিজ তেল আৰু খনি বা কুৰেৰীৰ সামগ্ৰী)।"

১৮) ধাৰা ৩(৪)(ক)ৰ সযতনে পঢ়িলে দেখা যায় যে টিম্বাৰ' শব্দটো বনজ সামগ্ৰীৰ অন্তৰ্ভুক্ত আৰু ৩(৩)ধাৰাৰে চালে স্পষ্ট হৈ পৰে যে টিম্বাৰ মানে, অন্যান্য সামগ্ৰীৰ লগতে, গছ। সেয়েহে, 'গছ'ৰ সংজ্ঞাটোও

জনাতো প্ৰয়োজনিয়। ৩(২) ধাৰাই 'গছ'ৰ সংজ্ঞা এইধৰণে দিয়ে: 'গছ' শব্দটোৱে তাল গছ, বাঁহ, গছৰ মুঢ়া, ব্ৰাছউড আৰু বেতক সামৰি লয়।

১৯) কিন্তু মন কৰিবলগীয়া কথাটো হ'ল গছৰ অৰ্থ সাধাৰণতে ডাঠ প্ৰাকৃতিক কাঠৰ মূঢ়া, যাৰ পৰা ডালবোৰে পোখা মেলে আৰু পাত ওলাই;আনহাতে বাঁহ হৈছে গ্ৰীষ্মমণ্ডলীয় এবিধ ওখ উদ্ভিদ, যি এবিধ ঘাঁহ । বাঁহৰ মূঢ়া টান আৰু ফোপোলা যিবোৰ আচবাব, খুঁটা আদি তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। বেত সৰু, দীঘলীয়া পাম গছৰ গোটা গা- গছ (কেতিয়াবা বগায় কিন্তু সাধাৰণতে ডালবিহীন), যেনে কেলামাছ বা বেত, চুগাৰ-কেন আদি বা ডাঙৰ প্ৰজাতিৰ কঠিন আৰু ফোপোলা ঘাঁহ যেনে বাঁহ। Chambers Twentieth Century Dictionary (সংশোধিত সংস্কৰণ-১৯৭৬), ত 'কেন' শব্দটোৰ সংজ্ঞা দিয়া হৈছে, হিচাপে "সৰু তালৰ গা-গছ(কেলামাছ বা ৰত্তন) বা ডাঙৰ ঘাঁহ (বাঁহ, চুগাৰ-বেত হিচাপে), বা ৰাস্পবেৰী বা সাদৃশ্য থকা তেনে গছ। The Oxford English Dictionary (Vol. IIC-1933), য়ে ত'কেন' শব্দটোৰ সংজ্ঞা এইধৰনে দিছে: কুঁহিয়াৰ বা বাঁহৰ দৰে ডাঙৰ প্ৰজাতিৰ নল বা ঘাঁহৰ ফোপোলা, গাঠিযুক্ত, কাঠ সদৃশ গা গছ আৰু কিছুমান বেছি দীঘলীয়া তালৰ গোটা গা গছ বিশেষকৈ genus calamas (ৰত্তন) আৰু ৰাস্পবেৰী বা একে প্ৰজাতিৰ গছৰ গা গছ। টি.এন. গোদাবৰ্মন থিৰুমুলপাদ বনাম ভাৰত চৰকাৰ – আই এ ৭০৭ (১৮.২.২০০২ তাৰিখে সিদ্ধান্ত লোৱা), তিনিজনীয়া বিচাৰপীঠে তলত দিয়া ধৰণে স্পষ্ট কৰিছে:

"স্পষ্টীকৰণ–গছ কটাৰ নিষেধাজ্ঞাই বাঁহ অন্তৰ্ভুক্ত নকৰে যদিহে সেই বাঁহ ৰাষ্ট্ৰীয় উদ্যান বা অভয়াৰণ্য অঞ্চলৰ ভিতৰত নহয়।

**আদেশ**

স্পষ্ট কৰা হৈছে যে এই আদালতে গছ কটা নিষিদ্ধ কৰা আদেশ ঘাঁহজাতীয় উদ্ভিদ যেনে বাঁহ বা বেতৰ ক্ষেত্ৰত প্ৰযোয্য নহয় যদিহে সেইয়া ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যত নাথাকে। অৰ্থাৎ ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যত বাঁহ আৰু বেত কাটিব নোৱাৰিলেও আন ঠাইত সেইবোৰ কাটিব পাৰি।

অন্তৰবৰ্তিকালিন আবেদন নিষ্পত্তি কৰা হ'ল।'

২০) উচ্চতম ন্যায়ালয়ে টি.এন. গোদাবৰ্মন থিৰুমুলপাদ (উপৰোক্ত) গোচৰত, যি স্পষ্টীকৰণ দিছে তাৰ পৰা বোধ হ্য যে সাধাৰণতে 'বাঁহ' বা 'বেত'ৰ অৰ্থ 'কাঠ' নহয়। এতিয়া এই ক্ষেত্ৰত, 'গছ'ৰ সংজ্ঞা বিবেচনা কৰি নিৰ্ধাৰণ কৰিব লাগিব যে 'কাঠে', ধাৰা ৩(৩)ৰ অধীনত সংজ্ঞায়িত কৰা অনুসৰি, সাধাৰণতে বুজাৰ দৰে কেৱল 'গছ'কে অন্তৰ্ভুক্ত কৰে নে 'বাঁহ' আৰু 'বেত'কো সামৰি লয়; আৰু যদি 'বাঁহ' আৰু 'বেত' 'কাঠ'ৰ সংজ্ঞাৰ ভিতৰত পৰে, তেন্তে ৰূপান্তৰিত কৰা 'বাঁহ' আৰু 'বেত'ক 'কাঠ' বুলি গণ্য কৰা হ'ব নেকি বা কেৱল 'ৰূপান্তৰিত কৰা কাঠকহে' 'কাঠ' হিচাপে গণ্য কৰিব পাৰি নেকি? বেলেগকৈ ক'বলৈ গ'লে প্ৰশ্নটো হ'ল 'ৰূপান্তৰিত কৰা বেত' আৰু 'ৰূপান্তৰিত কৰা বাঁহ' 'ৰূপান্তৰিত কৰা কাঠৰ' লগত একে নে 'ৰূপান্তৰিত কৰা কাঠ' 'ৰূপান্তৰিত কৰা বেত' আৰু ৰূপান্তৰিত কৰা বাঁহ'ৰ পৰা পৃথক ।

২১) ‘বাঁহ’ বা বেতৰ অৰ্থ যে সাধাৰণতে ‘কাঠ’ নহয়, তাৰ পটভূমিত ‘কাঠ’ৰ সংজ্ঞালৈ উভতি যোৱা হওক। ৩(৩) ধাৰাত দিয়া আৰু ওপৰত উদ্‌ধৃত ‘কাঠ’ৰ সংজ্ঞাটো সযতনে আৰু সুক্ষ্মভাবে পঢ়িলে দেখা যায় যে ‘কাঠ’ শব্দটোৰ সংজ্ঞা দুটা সুকীয়া ভাগত বিভক্ত হৈ আছে, যিবোৰ সংযুক্তভাৱে বুজিব নালাগে, পৃথকভাবে বুজিব লাগে। ‘কাঠ’ শব্দটোৰ সংজ্ঞাৰ প্ৰথম অংশটো হাওলি পৰা ‘গছ’ বা কটা গছ বুলি বুজিব লাগিব, আনহাতে কাঠ শব্দটোৰ সংজ্ঞাৰ দ্বিতীয় অংশৰ অৰ্থ সকলো ‘কাঠ’ বুলি বুজিব লাগিব আৰু এই শব্দটোৱে হাউলি পৰা গছ বা কাটি পেলোৱা গছৰ লগতে সকলো কাঠক বুজায় যাক কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু যিবোৰ গছ প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ (veneer)কটা হৈছে। এই আদালৰৰ মতে ‘কাঠৰ’ শুদ্ধ বাখ্যাটো হ’ল যে এই শব্দটোৱে হাউলি পৰা গছ বা কাটি পেলোৱা গছৰ লগতে সকলো কাঠক বুজায় যাক কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু যিবোৰ গছ প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ (veneer)কটা হৈছে। ৩(৩)ধাৰাত উল্লেখ কৰা ‘কাঠ’ৰ সংজ্ঞাটোক কিয় এইধৰণে বুজিব লাগে তাৰ কাৰণ হ’ল অক্সফৰ্ড অভিধানত (৩য় সংস্কৰণ) বৰ্ণনা কৰা মতে ‘কাঠ’ গছৰ কঠিন, আঁহযুক্ত পদাৰ্থ, আনহাতে বাঁহ ঘাঁহজাতীয় উদ্ভিদ আৰু সেয়েহে কাঠৰ দৰে বুলি গণ্য কৰিব নোৱাৰি। ৱেবষ্টাৰছ (তৃতীয়) নিউ ইণ্টাৰনেশ্যনেল ডিকচনেৰী (১৯৮১)ত সংস্কৰণ), ‘কাঠ’

শব্দৰ অৰ্থ হৈছে: "কাঠ হৈছে বাহিৰৰ বাকলিৰ তলত অৱস্থিত গছ বা জোপোহাৰ কাণ্ড আৰু ডালৰ মূল গাঁথনিগত উপাদান গঠন কৰা কঠিন, আঁহযুক্ত পদাৰ্থ। কাঠ নথকা উদ্ভিদ (ঘাঁহজাতীয় উদ্ভিদ) তো কাঠ থাকে যদিও কম পৰিমাণে। কাৰিকৰীভাৱে ই একেলগ হৈ থকা জাইলেম মৌলৰ দ্বাৰা গঠিত আৰু বহু উদ্ভিদত ইয়াৰ সাঁচ দেখা যায়। কাঠে গছৰ ডাল বা উল্লেখযোগ্য ডালবোৰক বুজাব পাৰে যিবোৰ ব্যৱসায়িক উদ্দেশ্য যেনে নিৰ্মাণ বা উৎপাদনৰ বাবে কাটি বা প্ৰক্ৰিয়াকৰণ কৰা হৈছে। কাঠ বিভিন্ন ৰূপ বা অৱস্থাত থাকিব পাৰে আৰু ইয়াক প্ৰায়ে কাঠ ব◌ুলি কোৱা হয়। এই শব্দটো বিশেষভাৱে এটা নিৰ্দিষ্ট প্ৰকাৰৰ গছৰ পৰা উলিওৱা কাঠক বুজাবলৈ ব্যৱহাৰ কৰা হয়। এই সামগ্ৰীৰ পৰা তৈয়াৰী বা নিৰ্মাণ কৰা বস্তু বা বস্তুৰ বৰ্ণনাৰ বাবেও কাঠ শব্দটোৰ ব্যৱহাৰ কৰা হয়।" The Shorter Oxford English Dictionary (Vol. II)ত 'কাঠ'ৰ সংজ্ঞা এইধৰণে দিয়া হৈছে: "গছ বা জোপোহাৰ শিপা, ডাল আৰু ডাল গঠন কৰা পদাৰ্থক কাঠ বোলে। ই গছৰ ডাল আৰু অন্যান্য অংশ, যি এতিয়াও বাঢ়ি আছে বা কাটি ব্যৱহাৰৰ বাবে প্ৰস্তুত কৰা হৈছে, তাক সামৰি লয়। Advance Law Lexicon Dictionary (তৃতীয় সংস্কৰণ)ত 'কাঠ' শব্দটোক প্ৰায়ে বহুবচনত ব্যৱহাৰ কৰা শব্দ হিচাপে গছৰ বৃহৎ আৰু ঘন সমষ্টি বুজাবলৈ সংজ্ঞায়িত কৰা হৈছে। ই বনৰ সমাৰ্থক যদিও কেতিয়াবা বনাঞ্চল শব্দটোৱে যথেষ্ট পৰিসৰলৈ বৃস্তিত এলেকা বুজায়। দুয়োটা শব্দতে কেৱল গছবোৰেই নহয়, যি মাটিত গছবোৰ থিয় হৈ আছে, সেইয়াও অন্তৰ্ভুক্ত কৰা হৈছে।

২২) ওপৰৰ কথাখিনিৰ পৰা যুক্তিসংগতভাৱে যিটো বুজা যায় সেয়া হ'ল 'কাঠ' শব্দটো, 'বাঁহ' বা 'বেত' শব্দটোৰ সৈতে সম্পৰ্কিত নহয়; সেয়েহে, ৩(৩) ধাৰাত 'Timber' শব্দটোৰ সংজ্ঞাত পোৱা 'কাঠ' শব্দটো বাঁহ বা বেতৰ সৈতে জড়িত নহ'ব, কেৱল 'গছ' শব্দটোৰ সাধাৰণ অৰ্থৰ সৈতেহে জড়িত হ'ব। এই দিশটো স্পষ্ট হৈ পৰে যেতিয়া কোনোবাই সুৰেশ লোহিয়া বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (১৯৯৬) ১০ এছচিচি ৩৯৭ গোচৰৰ সিদ্ধান্তটো ভালদৰে পঢ়ে, যাৰ ওপৰত প্ৰতিপক্ষই নিৰ্ভৰ কৰিছে। সুৰেশ লোহিয়া (ওপৰত উল্লেখ কৰা) গোচৰত উচ্চতম ন্যায়ালয়ে নিৰ্ধাৰণ কৰিবলগীয়া হৈছিল যে ভাৰতীয় বন আইন, ১৯২৭ত 'Timber'ৰ সংজ্ঞাত উপলব্ধ 'কাঠ' শব্দটোত ৰূপান্তৰিত কৰা বাঁহ', যেনে, *বেটী* আৰু *চেট্ৰি* অন্তৰ্ভুক্ত হ'ব নেকি।

২৩) সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ে বিবেচনা কৰা 'Timber'ৰ সংজ্ঞাটোত এইদৰে লিখা আছিল: "২.(৬) 'Timber'ৰ ভিতৰত হাওলি পৰা গছবোৰ বা কাটি পেলোৱা গছ আৰু যিকোনো উদ্দেশ্যৰ বাবে কাটি পেলোৱা বা ফেশ্বন কৰা বা ফুটা কৰা সকলো কাঠ;......"

২৪) উল্লেখযোগ্য যে ভাৰতীয় বন আইন, ১৯২৭ ৰ অধিনত দিয়া কাঠৰ সংজ্ঞা যিটো সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত বিবেচনা কৰা হৈছিল আৰু অসম বন বিনিয়মত দিয়া কাঠৰ সংজ্ঞাৰ কোনো পাৰ্থক্য নাই কিন্তু মূল পাৰ্থক্যটো হ'ল 'গছ' আৰু 'কাঠ' শব্দ দুটাৰ মাজৰ সংযোগ–সুৰেশ লোহিয়া গোচৰৰ ক্ষেত্ৰত 'আৰু'ৰ দ্বাৰা  কৰা হৈছে, আনহাতে এই গোচৰটোৰ ক্ষেত্ৰত 'অন' শব্দটোৱে পৃথক কৰিছে। সুৰেশ লোহিয়া

গোচৰত ‘গছ’ আৰু ‘কাঠ’ শব্দ দুটাৰ মাজত সম্পৰ্ক থাকিলেও উচ্চতম ন্যায়ালয়ে এই কথা উল্লেখ কৰিছিল যে ‘কাঠ’ৰ সংজ্ঞাৰ দ্বিতীয় অংশটো মূলতঃ ‘গছ’ৰ সৈতে নহয়, ‘কাঠ’ৰ সৈতে জড়িত কাৰণ এই ক্ষেত্ৰত এনে সকলো কাঠৰ অন্তৰ্ভুক্তি কৰা হৈছিল যিবোৰ কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে গছ কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ কটা (veneer) হৈছে। কিন্তু 'কাঠ'ৰ সংজ্ঞাত 'ৰুপান্তৰিত কৰা বাঁহ' অন্তৰ্ভুক্ত কৰা হোৱা নাই। এই বাদ দিয়াৰ ন্যায্যতা এইটোৱেই যে ‘কাঠ’ৰ সংজ্ঞাৰ দ্বিতীয় অংশটো ‘গছ’তকৈ ‘কাঠ’ শব্দটোৰ সৈতে অধিক ঘনিষ্ঠভাৱে জড়িত। এই অনুমান আৰু শক্তিশালী হৈ উঠে, যেতিয়া সুৰেশ লোহিয়া (ওপৰত উল্লেখ কৰা) গোচৰত কৰা প্ৰাসংগিক পৰ্যবেক্ষণবোৰ ভালদৰে বিশ্লেষণ কৰা হয় য'ত লিখা আছে: "........ আমি শ্ৰী ভাটিয়াৰ সৈতে একমত যে সংজ্ঞাটোৰ দ্বিতীয় অংশত ৰুপান্তৰিত কৰা বাঁহ অন্তৰ্ভুক্ত কৰা হোৱা নাই কাৰণ সেই অংশটো কাঠৰ সৈতে জড়িত, গছৰ সৈতে নহয়। আমি তেনেকৈয়ে কৈছো কাৰণ গছৰ সংজ্ঞাত আনকি বেতকো অন্তৰ্ভুক্ত কৰা হৈছে আৰু বেত এটাক কাঠ হিচাপে ল’ব নোৱাৰি, যদিও ই গছ হ’ব পাৰে।”

২৫) সুৰেশ লোহিয়া (ওপৰত উল্লেখ কৰা) গোচৰত কৰা উপৰোক্ত পৰ্যবেক্ষণসমূহে স্পষ্টভাৱে প্ৰতিফলিত কৰে যে অসম বন বিনিয়মত দিয়া ‘কাঠ’ শব্দটোৰ সংজ্ঞাৰ লগত ‘বাঁহ’ বা ‘বেত’ সম্পৰ্কীয় নহয়।

২৬) ওপৰৰ আলোচনাৰ পৰা যিটো বুজা যায় সেয়া হ'ল যে ধাৰা ৩(২)ত দিয়া 'গছ'ৰ সংজ্ঞাত তাল, বাঁহ, গছৰ মুঢ়া, ব্ৰাছউড আৰু বেত অন্তৰ্ভুক্ত । কিন্তু 'কাঠ'ৰ সংজ্ঞাটো ৩(৩)ধাৰাত দিয়া অনুসৰি 'কাঠ' শব্দটো 'ৰূপান্তৰিত কৰা বেত' বা 'ৰূপান্তৰিত কৰা বাঁহ'ৰ সৈতে সম্পৰ্কিত নহ'ব। সেইবাবেই, 'ৰূপান্তৰিত কৰা বাঁহ' বা 'ৰূপান্তৰিত কৰা বেত', যেনে 'চেট্ৰি' আৰু 'বেট্ৰি'ক কাঠ বুলি গণ্য কৰা নহ'ব'; আনহাতে "কাঠ" শব্দটোৰ সংজ্ঞাত 'গছ' শব্দটোৰ অৰ্থ সাধাৰণতে 'গছ' বুলিলে যি বুজা যায় তাৰ লগতে 'ৰূপান্তৰিত কৰা কাঠ'ও হ'ব, যেনে খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেম।অলপ বেলেগকৈ ক'বলৈ গ'লে 'বেট্ৰি' আৰু 'চেট্ৰি', যিবোৰ ৰুপান্তৰিত কৰা বাঁহ আৰু বেত, সেইবোৰ ৩(৩)ধাৰাত দিয়া ধৰণে 'কাঠ'ৰ সংজ্ঞাৰ ভিতৰত নপৰিব; আনহাতে, সকলো ধৰণৰ কাঠ, স্বাভাৱিক অৱস্থাতেই হওক বা কোনো নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে তৈয়াৰ কৰা অৱস্থাত থাকিলেও 'কাঠ' বুলি গণ্য কৰা হ'ব।

২৭) 'ৰূপান্তৰিত কৰা কাঠ' শব্দটোৱে বাঁহক সামৰি লোৱা নাই বাবে উচ্চতম ন্যায়ালয়ে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰটোত ৰায় দিছিল যে বাঁহক প্ৰাকৃতিক অৱস্থাত 'বনজ সামগ্ৰী' বুলি গণ্য কৰা হয়, কিন্তু যেতিয়া ইয়াক ৰুপান্তৰিত কৰা হয় বা মানুহৰ শ্ৰমৰ দ্বাৰা নতুন আৰু সুকীয়া সামগ্ৰীলৈ ৰূপান্তৰিত কৰা হয়, তেতিয়া ইয়াক 'বনজ সামগ্ৰী' হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি। সুৰেশ লোহিয়া (উপৰোক্ত)গোচৰত কৰা সকলো পৰ্যবেক্ষণ আগতে উল্লেখ কৰা ধৰণে উচ্চতম ন্যায়ালয়ে লোৱা সিদ্ধান্তৰ পটভূমিত বুজিব লাগিব। গতিকে ক'ব নোৱাৰি যে 'কাঠ'ৰ পৰা

মানুহৰ শ্ৰমৰ জৰিয়তে সৃষ্টি হোৱা প্ৰতিটো ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া সামগ্ৰীয়ে স্বয়ংক্ৰিয়ভাৱে 'গছ' হিচাপে নিজৰ শ্ৰেণীবিভাজন হেৰুৱাই পেলায়। যদি 'ৰূপান্তৰিত কৰা কাঠ'ক এক প্ৰকাৰৰ গছ হিচাপে স্বীকৃতি দিয়া হয়, তেন্তে এই যুক্তিসংগত সিদ্ধান্ত এৰাই চলিব নোৱাৰি যে যেতিয়া 'কাঠ' কটা বা ৰূপান্তৰিত কৰা হয়, তেতিয়া ই 'ৰূপান্তৰিত কৰা কাঠ' হিচাপে গণ্য হয়। কিন্তু এই পৰিৱৰ্তনৰ পিছতো এই সামগ্ৰীটো ধাৰা ৩(৪)(ক)ত উল্লেখ কৰা 'বনজ সামগ্ৰী'ৰ বহল সংজ্ঞাৰ ভিতৰত পৰে।

২৮) মুঠতে ওপৰৰ আলোচনাৰ পৰা যিটো প্ৰতিফলিত হৈছে সেয়া হ'ল যে আনকি 'ৰূপান্তৰিত কৰা কাঠ', যেনে, খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেমও ধাৰা ৩(৪)(ক)ৰ অৰ্থৰ ভিতৰত 'বনজ সামগ্ৰী' ৰ অন্তৰ্ভুক্ত। সেয়েহে প্ৰশ্ন উত্থাপিত বাহনখনে, স্বীকাৰ্য্যভাৱে, প্ৰয়োজনীয় অনুমতি অবিহনে 'বনজ সামগ্ৰী' কঢ়িয়াই নিয়া দেখা গ'ল কাৰণে ৩(৫)ধাৰাৰ অৰ্থৰ ভিতৰত এটা বন অপৰাধ সংঘটিত কৰা হৈছে আৰু যিহেতু বাহনখন বন অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল আৰু বাহনখনৰ মালিক অৰ্থাৎ প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষীয়ে দুৰ্ভাগ্যজনকভাৱে দেখুৱাব পৰা নাই যে তেওঁৰ বাহনখন কোনো বন অপৰাধ সংঘটিত কৰাত ব্যৱহাৰ নকৰাৰ বাবে তেঁও সকলো যুক্তিসংগত আৰু যথাযথ সাৱধানতা অৱলম্বন কৰিছিল, গতিকে বাহনখন বাজেয়াপ্ত কৰিব পাৰি আৰু সঠিকভাবেই বাহনখন বাজেয়াপ্ত কৰা হৈছে। এইদৰে চালে স্পষ্ট হয় যে বিদ্বান সত্ৰ ন্যায়াধীশ দৰঙে গৃহীত কৰা বিবাদিত আপীল আদেশ আইনৰ বিপৰীত আৰু ইয়াক বাহাল ৰাখিব নোৱাৰি।

২৯) ওপৰত যিবোৰ কথা আলোচনা কৰা হৈছে আৰু আঙুলিয়াই দিয়া হৈছে তাৰ বাবেই এই লেখ আবেদনখন মঞ্জুৰ কৰা হ'ল। ২৮.৩.২০০৭ তাৰিখৰ বিবাদিত আপীল আদেশ ইয়াৰ দ্বাৰা বাতিল কৰা হৈছে আৰু অনুমোদিত বন বিষয়াই গৃহীত কৰা ৪.১২.২০০৬ তাৰিখৰ বাজেয়াপ্ত কৰাৰ আদেশ ইয়াৰ দ্বাৰা বাহাল ৰখা হৈছে। ওপৰৰ পৰ্যবেক্ষণ আৰু নিৰ্দেশনাৰ সৈতে এই লেখ আবেদন নিষ্পত্তি কৰা হ'ল।

৩০) খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাই।

অনুবাদক- মৃণাল কুমাৰ ভট্টাচাৰ্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়